# আন্তঃৰাষ্ট্ৰীয় নাৰী নিৰ্যাতন বিৰোধী দিৱস প্ৰতিবছৰে নৱেম্বৰ ২৫ ৰ পৰা ১০ ডিচেম্বৰলৈ উদ্‌যাপন




নাৰীৰ ওপৰত বৰ্দ্ধিত হিংসাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৯৯৯ চনৰ ১৫ নৱেম্বৰ তাৰিখটো নাৰী নিৰ্যাতন বিৰোধী দিৱস হিচাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ঘোষণা কৰে আৰু তেতিয়াৰ পৰাই ভাৰতবৰ্ষকে ধৰি বিশ্বৰ বিভিন্ন দেশত এই দিৱস বহু সংখ্যক স্বেচ্ছাসেৱী সংগঠন আৰু মহিলা সংগঠনে বিভিন্ন কাৰ্যসূচীৰে পালন কৰি আহিছে। নাৰী অধিকাৰক মানৱ অধিকাৰ হিচাবে ৰাষ্ট্ৰসংঘেই ১৯৭৯ চনৰ ১০ ডিচেম্বৰত স্বীকৃতি প্ৰদান কৰে আৰু নাৰী অধিকাৰ উলংঘন, এই কথা প্ৰতিপন্ন কৰাৰ বাবে ২৫ নৱেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ "আন্তঃৰাষ্ট্ৰীয় নাৰী নিৰ্যাতন বিৰোধী পষেক" উদ্‌যাপন কৰা হয় চেণ্টাৰ ফৰ উইমেন গ্ল'বেল লিডাৰশ্বিপ'ৰ উদ্যোগত। নাৰী নিৰ্যাতন বিৰোধী পষেকৰ লগত জড়িত হৈ আছে। হত্যা, হিংসা, ধৰ্ষণ, ঘৰুৱা হিংসা, ডাইনী হত্যা, কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ দৰে বহু শোকাবহ ঘটনা, যিবোৰে নাৰী সমাজক নাৰী নিৰ্যাতন বিৰোধী পষেক উদ্‌যাপন কৰিবলৈ উদ্বুদ্ধ কৰে। আমাৰ দেশত নাৰী সবলীকৰণৰ বিভিন্ন আঁচনি লোৱা হৈছে যদিও ইয়াৰ পৰা সমাজৰ ব্যাপক অংশ সৰ্বসাধাৰণ নাৰীয়ে সবলীকৰণৰ সুফল পোৱা নাই। সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া বা ৰাজনীতিত নাৰীৰ অংশগ্ৰহণ এটা প্ৰশ্নলৈকেহে হৈছে। প্ৰশ্ন হয় আজি নাৰীৰ সুৰক্ষা ক'ত? কৰ্মস্থান, ৰাষ্টাঘাট, যান-বাহন, কাৰ্যালয় ক'ত আছে নাৰীৰ সুৰক্ষা। আন কি নিজৰ ঘৰখনতো নিৰাপত্তা নাই। পুৰুষতান্ত্ৰিক চিন্তাই সমাজখনক এনেদৰে প্ৰদূষিত কৰি পেলাইছে যে মানুহে স্বাভাৱিক দয়া-মমতা, হিতা-হিত জ্ঞান হেৰাই পেলাইছে এই সভ্য দেশত। নাৰীৰ ওপৰত একালে নিৰ্যাতন, অত্যাচাৰ আনপিনে বৈষম্যমূলক আচৰণ। আজিৰ একবিংশ শতিকাৰ অত্যাধুনিক সমাজখনতো লিংগ বৈষম্য থাকি যোৱাটো সকলোৰে বাবে চিন্তনিয় বিষয়। আমাৰ সমাজৰ সামাজিক, ৰাজনৈতিক, প্ৰশাসনিক, পুলিচ আৰু আইনী স্তৰত থকা লিংগ বৈষম্যৰ অৱসান ঘটাই সংবেদনশীল কৰি তুলিব পাৰিলেহে নাৰীয়ে মানুহৰ মৰ্যদা লাভ কৰিব। আমি আশাবাদী, পুৰণি সমাজৰ গৰ্ভতে এদিন নাৰী পুৰুষৰ সম অধিকাৰৰ বাবে ৰূপান্তৰৰ বীজ অংকুৰিত হ'ব আৰু সমাজৰ পৰা চিৰ বিদায় দিব ধনী দুখীয়াৰ মাজৰ বৈষম্য আৰু লিংগ বৈষম্যক।

নেচনেল মিছন ফৰ এম্পাৱাৰমেণ্ট অৱ উইমেন (NMEW)

অসম মহিলা সমতা চছাইটি
ঘৰ নং ঃ-৩১, প্ৰথম মহলা, ফাগুনা ৰাভা পথ
জটিয়া, কাহিলিপাৰা পথ, দিশপুৰ, গুৱাহাটী-৭৮১০০৬, অসম